


ৰবীন্দ্ৰনাথ ঠাকুৰ

অংকনঃ সুনাইনা কয়েলহো

# ডাৱৰ আৰু ঢৌ

‘কথা’ৰ দ্বাৰা প্ৰকাশিত এক 300m থিংকবুক



মা, ডাৱৰৰ আঁৰত থকা সাধুটোৱে
মোক মাতিছে..



আঁহা, ৰাতিপুৱাৰ পৰা ৰাতিলৈকে মোৰ লগত খেলিবা। সোণালী পুৱা আৰু ৰূপালী চন্দ্ৰৰ লগত আমি খেলা কৰিম আহাঁ।

মই সুধিলোঁ, ‘মই কেনেকৈ তোমাৰ ওচৰলৈ যাম?'



তেওঁলোকে উত্তৰ দিলে, পৃথিৱীৰ শেষ প্ৰান্তলৈ আঁহা, আকাশৰ ফালে দুই হাত আগবঢ়াই দিয়া। আকাশে তোমাক মেঘৰ দেশলৈ লৈ আহিব।

ঘৰত মায়ে মোৰ বাবে অপেক্ষা কৰি
আছে।মই কৈছোঁ, তেওঁলোকক এৰি মই
কেনেকৈ আঁহো? তেতিয়া তেওঁলোকে
হাঁহি এটি মাৰি ওপঙি আঁতৰি গ'ল।




কিন্তু মা, মই ইয়াতকৈও ভাল খেল
এটা জানো। মই হ’ম মেঘ, আৰু
তুমি হ'বা চন্দ্ৰ।

মই মোৰ দুহাতেৰে
তোমাক ঢাকি ধৰিম আৰু
আমাৰ ঘৰৰ ওপৰত হ’ব
নীলা আকাশ।



আকাশত থকাসকলে মোক দেখি কয়,
আমাৰ ওচৰলৈ আঁহা। আমি পুৱাৰ পৰা
সন্ধ্যালৈকে গান গাম আৰু ঘূৰি-ফুৰি কৰৌ
যাম নিজেই নাজানিম।





মই সুধিলো, 'কিন্তু মই কেনেকৈ
তোমালোকৰ ওচৰলৈ যাওঁ?'


তেওঁলোকে মোক ক'লে, 'সাগৰৰ কাষলৈ আঁহা, চকু বন্ধ কৰি দিয়া, ঢৌৱে তোমাক উটুৱাই উটুৱাই লৈ আনিব।'





মই ক'লো, 'মোৰ মায়ে সদায় সন্ধিয়া মোক ঘৰত থকাটো বিচাৰে। তেওঁক এৰি মই কেনেকৈ যাম?'

তেওঁলোকে মিচিকিয়াই হাঁহে আৰু নাচি নাচি গুছি যায়।




কিন্তু মই ইয়াতকৈয়ো ভাল
খেল এটা জানো।

মই হ'ম ঢৌ আৰু তুমি হ'বা
সাগৰৰ এটা পাৰ। মই বাগৰি
বাগৰি হাঁহি হাঁহি তোমাৰ
কোলালৈ আহিম।

আৰু আমি দুয়ো
ক’ত আছোঁ পৃথিৱীৰ
কোনেও নাজানিব।



# ৰবীন্দ্ৰনাথ ঠাকুৰৰ বংশাৱলী



ৰবীন্দ্ৰনাথ ঠাকুৰ, যাক তেওঁৰ অনুৰাগীসকলে হেঁপাহত গুৰুদেৱ বুলি মাতিছিল, কলিকতা চহৰত ১৮৬১ চনৰ ৭ মে তাৰিখে জন্ম হৈছিল। সংস্কৃত ভাষাৰ পণ্ডিত দেবেন্দ্ৰনাথ ঠাকুৰ তেওঁৰ পিতৃ আছিল। প্ৰাথমিক শিক্ষা ঘৰতেই আৰম্ভ হৈছিল। বিদ্যালয়ৰ সকলো ছাত্ৰই যেতিয়া অধ্যয়নত মনোনিৱেশ কৰিছিল, তেতিয়া তেওঁ নিজৰ স্বপ্নৰ জগতত বিচৰণ কৰি ফুৰিছিল। মাত্ৰ সাত বছৰ বয়সত তেওঁ প্ৰথম কবিতা লিখিছিল। সোতৰ বছৰ বয়সত তেওঁৰ প্ৰথম কবিতা পুথি প্ৰকাশ হৈছিল। তেওঁৰ লেখাৰ মায়া আৰু গীতিময়তাই গভীৰ আবেগক উদ্বেলিত কৰে। শব্দৰ স্বাচ্ছন্দ্য তথা প্ৰবাহ মিলি যি মায়াজাল সৃষ্টি কৰে তাত পঢ়ুৱৈ বিস্মৃত হয়।১৯১৩ চনত তেওঁ বিখ্যাত কাব্যগ্ৰন্থ 'গীতাঞ্জলি'ৰ বাবে সাহিত্যৰ নোবেল বঁটা লাভ কৰে।

সুনেইনা কয়েলহো-ৱে আহমেদাবাদৰ 'নেশ্যনেল ইন্সটিটিউট অৱ ডিজাইন'ত এনিমেশ্যন বিষয়ত পঢ়িছিল। তেওঁ আজিকালি মুম্বাইত থাকে আৰু টেলিভিছনৰ বাবে এনিমেশ্যনৰ কাম কৰে। আজৰি সময়ত তেওঁ শুই শুই সপোন দেখে, ফুৰে, ৰন্ধা-বঢ়া কৰে নাইবা সাগৰৰ পাৰত বহি সময় কটায়। তেওঁ সাগৰখন সদায় পৰিস্কাৰ হৈ থকাতো বিচাৰে যাতে সাঁতুৰিব পাৰি।

KATHA

'কথা' বিশ্বব্যাপী স্বীকৃত এটি অ-লাভজনক সংস্থা (www.katha.org) যি ১৯৮৮ চনৰ পৰাই সাক্ষৰতাৰ পৰা সাহিত্য পৰ্যন্ত-সকলো দিশতে নিৰন্তৰভাৱে কাম কৰি আহিছে। দৰিদ্ৰ শিশুসকলৰ বাবে গ্ৰন্থ প্ৰকাশ তথা তেওঁলোকৰ শিক্ষাৰ উন্নয়নৰ ক্ষেত্ৰত ৩০ বছৰীয়া সফলতাৰ সুবাদেৰে এই অনুষ্ঠানটি পুষ্ট।

"ভাৰতৰ মুকুটত ই এটি শিক্ষামূলক ৰত্ন।" **-নায়োউকি শিনোহাৰা, ডেপুটি মেনেজিং ডিৰেক্টৰ, আই. এম. এফ**

'পৃথিৱীৰ সকলো চহৰৰ দুৰ্দশাগ্ৰস্ততা নিৰাময়ৰ বাবে কাম কৰি থকা সৃজনীশীল প্ৰকল্পসমূহৰ অন্যতম এটি দৃষ্টান্ত হ'ল 'কথা'।
**-চাৰ্লছ লণ্ড্ৰী, দ্যা আৰ্ট অৱ চিটি মেকিং**

'কথা'ৰ অন্তৰাত্মাত শিশুসকলৰ বাবে এক কোমল স্থান আছে। সেয়ে 'কথা'ই শিশুসকলৰ বাবে এনে ৰঙ-বিৰঙী ছবিসমৃদ্ধ গ্ৰন্থ সৃষ্টি কৰি আহিছে।
**--টাইম আউট।**

'কথা'ই ধাৰণাৰ ভিত্তিত কাম কৰে যাতে শিশুসকলে বাস কৰা সম্প্ৰদায়ত আমূল পৰিবৰ্তন আনিব পাৰে। — **পেপাৰ টাইগাৰছ**

এইটো সংস্কৰণৰ প্ৰথম প্ৰকাশ কাল ২০২১ চন।
গ্ৰন্থস্বত্ব © কথা, 2011, 2021
পাঠ্যস্বত্ব © ৰবীন্দ্ৰনাথ ঠাকুৰ
অংকন স্বত্ব © কথা
এ-3, সৰ্বোদয় এনক্লেভ, শ্ৰীঅৰবিন্দ মাৰ্গ, নতুন দিল্লী-১১০০১৭
দূৰভাষঃ 91-11 4141 6600 . 4141 6610
"ই-মেইলঃ editors@katha.org.
ৱেবচাইটঃ www.katha.org "
ISBN 978-93-82454-65-6

আমাৰ উদ্দেশ্যঃ প্ৰত্যেক শিশুৱেই যেন ভালদৰে আৰু আনন্দৰ বাবে পঢ়িব পাৰে।
১৯৮৮ চনত স্থাপিত 'কথা' এটি পঞ্জীয়নকৃত অলাভজনক সংস্থা। 'কথা'ই স্বাক্ষৰতাৰ পৰা সাহিত্যলৈকে সকলো দিশতে ধাৰাবাহিকভাৱে কাম কৰি আহিছে। পঢ়াৰ অভ্যাসক প্ৰাপ্তবয়স্ক আৰু শিশুসকলৰ বাবে আনন্দদায়ক কৰি তুলিবলৈ চেষ্টা কৰি আহিছে 'কথা'ই। গ্ৰন্থ প্ৰকাশ আৰু বিভিন্ন সহায়-সহযোগিতাৰে ১,০০,০০০ ৰো অধিক দৰিদ্ৰ শিশুক 'গ্ৰেড লেবেল' পঠনৰ উপযোগী কৰি তুলিছে এই সংস্থাই।

সৰ্বস্বত্ব সংৰক্ষিত। প্ৰকাশকৰ পৰা আগতীয়া লিখিত অনুমতি অবিহনে এই গ্ৰন্থৰ কোনো অংশ, কোনো ৰূপতে কোনেও ব্যৱহাৰ কৰিব নোৱাৰিব।

এই গ্ৰন্থসমূহৰ বিক্ৰীৰ পৰা পোৱা আয়ৰ ১০% অৱহেলিত শিশুসকলৰ পঢ়া-শুনা তথা আজীৱন শিক্ষাৰ কৰ্মসূচীত খৰছ কৰা হয়।




আপোনাৰ সন্তানৰ সৈতে একেলগে পঢ়ক। সিহঁতৰ পৃথিৱীখনক কল্পনাৰ বোলেৰে ৰঙীন কৰিবলৈ শিকাওক।

'৩০০ মিলিয়ন চিটিজেনছ চেলেঞ্জত' অংশ লওক। এনেকুৱা এখন জগত তৈয়াৰ কৰক য'ত শিশুহঁতে আনন্দ প্ৰাপ্তি তথা অধিক জানিবৰ বাবে পঢ়িব। যোগদানৰ বাবে-300m@katha.org স্বেচ্ছামূলক সেৱাৰ বাবে- volunteer@katha.org

আই লাভ ৰিডিং লাইব্ৰেৰী' হ'ল গ্ৰন্থৰ এক অনন্য ছিৰিজ, যি নতুন আৰু দুৰ্বল পাঠকসকলক সলসলীয়াকৈ পঢ়িবলৈ সুবিধা প্ৰদান কৰে।ই বিদ্যালয়ৰ বিভিন্ন স্তৰত থকা ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰয়োজনীয়তা অনুসৰি উচ্চমানৰ বিষয়বস্তু আৰু চিত্ৰৰ লগতে বিশ্বৰ বৰেণ্য সাহিত্যিকৰ সৃষ্টি আৰু শিল্প কৰ্মক একত্ৰিত কৰিছে। আমাৰ গ্ৰন্থসমূহ গীতা ধৰ্মৰাজনৰ 'ষ্টৰি পেদাগজী'ত প্ৰকাশ কৰা হৈছে। ই হৈছে এক অন্যতম শিক্ষামূলক মডেল, য'ত বিশেষভাৱে প্ৰথম প্ৰজন্মৰ পাঠকসকলৰ পঢ়াৰ ওপৰত গুৰুত্ব দিয়া হয় আৰু শিশুক উচ্চ ধাৰণা আৰু এখন আকৰ্ষণীয় জগতলৈ লৈ যোৱা হয়।(TA-DAA! ভাবক, প্ৰশ্ন কৰক, আলোচনা কৰক,কাৰ্য কৰক আৰু অৰ্জন কৰক)

'কথা'ৰ 'হলিষ্টিক আৰ্লি লাৰ্নিং(KHEL)লেব'-এ চৰকাৰী, অ-লাভজনক আৰু বেচৰকাৰী স্কুল শিক্ষকৰ বাবে বিভিন্ন কৰ্মশালাৰ আয়োজন কৰে।অনলাইনত হোৱা এই মুখামুখি(F2F—Face-to-Face)কৰ্মশালাসমূহে শিক্ষক, বিদ্যালয়ৰ প্ৰশাসক আৰু সেস্বাসেৱকসকলক চাৰ্টিফিকেট প্ৰদান কৰে। অধিক জানিবলৈ, এই ঠিকনাত যোগাযোগ কৰক-300m@katha.org

এই সকলো ILR গ্ৰন্থ

ইণ্ডিগো চিৰিজৰ অন্তৰ্গত

আনন্দ লাভ আৰু অৰ্থোদ্ধাৰৰ বাবে পঢ়ক




































FOR OUR BOOKS

www.books.katha.org

'কাহিনীটোৰ দ্বাৰা ভাৰতৰ বহু সাংস্কৃতিক পৰিচয় প্ৰকাশ পাইছে'
—দ্য পায়োনিয়াৰ

শিশুসকলৰ বাবে
কথা গ্ৰন্থ
ISBN 978-93-88284-81-3
9 789388 284813
www.katha.org
₹ xxx